লাচিত বৰফুকন

.... নিৰঞ্জন বৰা। প্ৰধান শিক্ষক
লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়।

পাতনিঃ--- ছশ বছৰীয়া আহোম ৰাজত্ব কালৰ এগৰাকী প্ৰসিদ্ধ বীৰ, জাতিৰ নায়ক, প্ৰকৃত দেশপ্ৰেমিক, অসমৰ আহোম সাম্ৰাজ্যৰ ফুকনলুং শৰাইঘাট যুদ্ধৰ বিজয়ী,সাহস আৰু সংগ্ৰামৰ প্ৰতীক, বুৰঞ্জীৰ পাতৰ অপৰাজেয় ব্যক্তিত্ব, অসম আৰু অসমীয়া জাতিৰ আৱেগ , স্বাভিমান হৈছে-- লাচিত বৰফুকন। সমাজ এখনলৈ দৃঢ়,নিঃস্বাৰ্থ,দূৰদৰ্শী ব্যক্তিৰ নেতৃত্বই আনি দিয়ে যুগান্তকাৰী পৰিৱৰ্তন। অসম ইতিহাসৰ দূৰ্যোগপুৰ্ণ সময়খিনিত এনে পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল ক্ষণজন্মা বীৰ লাচিত বৰফুকনে।

জন্ম আৰু পৰিচয়ঃ-- অসমৰ অসমীয়াৰ প্ৰাণস্পন্দন গৌৰৱ বীৰ লাচিতৰ জন্ম হৈছিল ২৪ নৱেম্বৰ,১৬২২ খ্ৰীষ্টাব্দত শিৱসাগৰ গড়গাঁৱত। পিতৃৰ নাম মোমাই তামুলী বৰবৰুৱা আৰু মাতৃৰ নাম নাগেশ্বৰী আইদেউ। দেউতাক আহোমৰ লানফিমা বংশৰ আছিল। ৰাজপৰিয়ালৰ সন্তান হিচাপে লাচিত বৰফুকনে পিতৃ মাতৃৰ লগতে সকলোৰে পৰা মৰম চেনেহ পোৱাৰ লগতে সকলো ধৰণৰ সুবিধা পাবলৈ সক্ষম হৈছিল।

লাচিত বৰফুকনৰ শৈক্ষিক অৱস্থাঃ-- অসমীয়া পৰাক্ৰমী বীৰ লাচিত বৰফুকন শিশু অৱস্থাৰ পৰাই সততা, কৰ্তব্যনিষ্ঠা, নিয়মানুবৰ্তিতা, স্পষ্টবাদিতা গুণৰ অধিকাৰী আছিল। লাচিত বৰফুকনৰ প্ৰাৰম্ভিক শিক্ষা নিজৰ ঘৰতেই আৰম্ভ হৈছিল। ঘৰুৱা শিক্ষাৰ জৰিয়তে আহোম শাস্ত্ৰ, হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰ শিক্ষা লোৱাৰ লগতে সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষা আয়ত্ব কৰিবলৈ সক্ষম হৈছিল। সৰুৰে পৰাই প্ৰায় সকলো বোৰ শিক্ষা গ্ৰহন কৰি পৈণত হৈ পৰিছিল।

লাচিতৰ সময়ৰ ৰাজনৈতিক পৰিৱেশঃ---- অসমৰ ৰাজনৈতিক পৰিস্থিতি তেতিয়া সংকটজনক আছিল।১৬৬২ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ঔৰংগজেৰৰ সৈন্যই মীৰজুমলাৰ নেতৃত্বত অসম আক্ৰমণ কৰি আহোম ৰজাক কৰতলীয়া কৰিছিল।কোনো দিনে পৰাধীনতাৰ মুখ নেদেখা স্বাধীনচিতীয়া আহোম ৰাজপৰিয়ালৰ লগতে অসমীয়া জনগণে এই অপমান সমূলি সহ্য কৰিব পৰা নাছিল।স্বৰ্গদেউ জয়ধ্বজ সিংহই অসমৰ স্বাধীনতা ঘুৰাই আনিবলৈ অহোপুৰুষাৰ্থ কৰিছিল যদিও সফল নহল।শত্ৰুক দেশৰ পৰা খেদাই পঠোৱাৰ চিন্তাই তেওঁক খুলি খুলি,পৰাধীনতাৰ কলঙ্ক লৈয়ে তেওঁ মৃত্যুক সাৱটি ললে। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পাছত আহোম ৰজাৰ চক্ৰধ্বজ সিংহ ৰজা হয়।এইজনা স্বৰ্গদেৱে হেৰুৱা ৰাজ্যখন পুনৰ উদ্ধাৰি দেশৰ অতীত গৌৰৱ ঘুৰাই অনাৰ বাবে দেহে-

কেহে চেষ্টা কৰিছিল।নিজৰ ৰাজা শত্রুৰ দখলত থকাৰ বাবে অপমান অনুভৱ কৰি অকণো সময় শান্তিৰে কটাব পৰা নাছিল। সেয়ে তেওঁ ভাবিলে যে দেশ ৰক্ষাৰ বাবে যিজনকে নামনি অসমৰ অধিকাৰী পাতিব,তেওঁ হ'ব লাগিব গভীৰ জ্ঞান থকা,সুদক্ষ কূটনীতিবিদ,বুদ্ধিমান,নিঃস্বাৰ্থ আৰু বিশ্বাসী।

আহোম ৰাজ্যৰ বিষয়া স্বৰূপে লাচিতঃ--স্বৰ্গদেৱে আহোম সেনাবাহিনীক নেতৃত্ব দিবৰ বাবে মোমাই তামুলীৰ পুত্ৰ লাচিতৰ গাত বীৰৰ চৰিত্ৰ দেখা পাই বিষয়বাব প্ৰদান কৰিলে। প্ৰথমে লাচিত হাঁচতিধৰা তামুলী পদৰ পৰা ঘোঁৰা বৰুৱা,দুলীয়া বৰুৱা,শিমলুগুৰীয়া ফুকন আৰু তাৰ পিছত দোলাকাষৰীয়া বৰুৱাৰ বাব পাই সকলো কাম আগৰণুৱা হৈ সুন্দৰভাৱে দায়িত্ব পালন কৰিছিল।এদিন স্বৰ্গদেউ চক্ৰধ্বজ সিংহই এজন যোগ্য সেনাপতিৰ সন্ধান উলিয়াব নোৱাৰাৰ কথা দোলাকাষৰীয়া বৰুৱা লাচিতৰ আগত প্ৰকাশ কৰোতে লাচিতে অতি বিনম্ৰভাৱে স্বৰ্গদেউক যি সমিধান দিছিল--''স্বৰ্গদেৱৰ ৰাজ্যত মানুহ নাই নেকি,বঙালনো কি,মানুহহে।আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ।স্বৰ্গদেৱে আদেশ দিবহে লাগে।মন কৰি চাওঁক-''স্বৰ্গদেৱে সুযোগ দিলে উপযোগী সেনাপতি ইয়াতেই নিশ্চয় ওলাব''। স্বৰ্গদেউ অতি আনন্দিত হৈ মোগলক ঘটুৱাবলৈ মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ সাহসী লাচিতক আহোম সেনাপতি হিচাপে নিযুক্তি দি 'বৰফুকন' পাতিলে।তেওঁক কেৱল বৰফুকন পতাই নহয়, 'বুঢ়াগোহাঁই 'বৰগোহাঁই আদি কৰি সকলো শ্ৰেণীৰ বিষয়াৰ ওপৰত সেনাপতি পাতি যুদ্ধ কৰিবলৈকো আজ্ঞা দিলে।

১৬৬৫ খ্ৰীষ্টাব্দৰ পৰা ১৬৭১ খ্ৰীষ্টাব্দলৈকে এই ছবছৰৰ কাৰ্যাৱলীয়ে লাচিতৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ প্ৰকৃত ছবিখন প্ৰতিফলিত কৰে।

লাচিতৰ বুদ্ধিমত্তা আৰু মোগলৰ সৈতে যুদ্ধঃ---ৰামসিংহৰ নিচিনা এজন চতুৰ সেনাপতিয়ে বিপুল সৈন্যবাহিনী লৈ অসম আক্ৰমণ কৰিবলৈ আহিছিল যদিও গুৱাহাটীত প্ৰৱেশ কৰিব নোৱাৰিলে।যুদ্ধকালীন সময়ত লাচিতে লোৱা তৎপৰতা আৰু ৰণকৌশল অতি সময়োপযোগী আছিল।যুদ্ধৰ আৰম্ভণিতে লাচিতে কৈছিল- 'ৰণত হেলা কৰি বিমুখ হোৱাসকলক তেওঁ কাটিব'।শিৰশ্ছেদ বা তেজক্ষয় হোৱা মৃত্যুদণ্ড স্বৰ্গদেৱে লাচিতৰ আত্মবিশ্বাস দেখি সেই অধিকাৰ প্ৰদান কৰিছিল।দেশ ৰক্ষাৰ বাবে কোনো কামেই কৰিবলৈ লাচিতে কুণ্ঠাবোধ নকৰিছিল।লাচিতে তেওঁৰ সকলো ক্ষমতা দেশৰ হিতৰ বাবেহে প্ৰয়োগ কৰিছিল। যেনে-তেনে যুদ্ধত জয়লাভ কৰিব লাগে।এই উদ্দেশ্যে স্বৰ্গদেৱৰ পৰা লাচিতে সমৰ্থন লাভ কৰি জ্ঞান,বুদ্ধি আৰু তেওঁৰ দেশপ্ৰেমৰ চিনাকি দিয়ে।প্ৰকৃত যুদ্ধ জয়লাভৰ আগতেই লাচিতে ৰামসিংহৰ লগত মনস্তাত্ত্বিক যুদ্ধত জয়লাভ কৰিছিল।

অসমীয়া সৈন্য যুদ্ধত জিকিবই-এই আশা লাচিতে সৈনিকসকলৰ অন্তৰত আৰম্ভণিৰ পৰাই সুমুৱাই দিছিল।ৰামসিংহৰ অন্তৰতো এনে ধাৰণা সৃষ্টি কৰিছিল যে 'তেওঁৰ পৰাজয় অনিবাৰ্য'।শত্ৰুৰ অন্তৰত সন্দেহ আৰু আতংক বঢ়াবলৈ বৰফুকনে সেনাপতিসকলক আদেশ দিছিল।এবাৰ মোগল সেনাপতি ৰামসিংহই লাচিত বৰফুকনক 'এক ঘড়ি লেড়াই' খুজি আমন্ত্ৰণ জনালে।আমন্ত্ৰণৰ প্ৰত্যুত্তৰত লাচিত বৰফুকনৰ উক্তি আছিল বীৰোচিত।তেওঁ কৈছিল-'একঘড়ী লেড়াই কিয়,প্ৰয়োজন হ'লে বছৰচেৰেক যুঁজিবলৈও তেওঁ সাজু'।

নিজৰ সৈন্যৰ বল বুজাবৰ বাবে ৰামসিংহই লাচিত বৰফুকনলৈ এটোপোলা আফুগুটি পঠালে।ইয়াৰ অৰ্থ আছিল যে ৰামসিংহৰ বহুত সৈন্য আছে,আফুগুটি গণিব পৰা সহজ কথা নহয়।ইয়াৰ উত্তৰত লাচিতে এচুঙা বালি আৰু এখন পটা দি পঠাই দিছিল যে আফুগুটি পটাত পিহাৰ দৰে পিহিব পাৰি,কিন্তু বালি পিহি গুড়ি কৰিব নোৱাৰি।লাচিতৰ উক্তি আছিল এনেধৰণৰ -'আফুগুটি পটাত বটিব ,পানী হ'ব,কিন্তু বালি বটিব নোৱাৰে'।এচুঙা বালি অৰ্থাৎ অসমীয়া সৈন্য ৰামসিংহৰ সৈন্যৰ নিচিনা নহয়,যুদ্ধত নমৰে আৰু ইয়াৰ সংখ্যা গণিব নোৱাৰে, অসমীয়া সৈন্য অজৰ-অমৰ।

এবাৰ ৰামসিংহই লাচিতক'বিনা যুদ্ধই এটা সিদ্ধান্তলৈ আহিবৰ বাবে আমন্ত্ৰণ জনোৱাত লাচিতে উত্তৰ দিলে-'ৰাম সিংহই যুদ্ধ ক্ষেত্ৰত নিজৰ বুদ্ধি-কৌশল দেখুৱাব লাগিব,নহলে তেওঁৰ যুদ্ধৰ যশস্যা কলঙ্কিত হ'ব।এই কথাই ৰামসিংহক হতাশ কৰিলে। বীৰ লাচিতে অসমৰ দুতসকলৰ দ্বাৰা প্ৰচাৰ কৰি জনালে যে বৰফুকনৰ লগত অসংখ্য ৰজা আহিছে আৰু বৰফুকনৰ সেনাবাহিনীত ৰাক্ষস সৈন্যই অংশগ্ৰহণ কৰিছে'।এনে প্ৰচাৰে ৰামসিংহৰ মনত প্ৰচুৰ ভয় জন্মাইছিল।ৰামসিংহই নিজৰ আগন্তুক বিপৰ্যয়ৰ সম্ভাৱনাৰ কথা গম পাইছিল।তেওঁৰ আৰু সৈন্যসকলৰ বাবে অসম এখন অচিন ঠাই আছিল।সেয়ে সঁচা-মিছা সকলো কথা সহজে বিশ্বাস কৰিছিল।ৰামসিংহৰ লগতে তেওঁৰ সৈন্যবাহিনীয়ে বিশ্বাস কৰিছিল যে অসমত যাদুৰে মানুহক ভেৰা বনাব পাৰে।এই কথা মোগল সৈন্যৰ মাজত প্ৰচাৰ হৈ গৈছিল।সেয়ে যাদুমন্ত্ৰৰ লগত মোগল সৈন্যক পৰাজয় কৰিব পৰা আহোম ৰাজ্যৰ শক্তি আছে বুলি বিশ্বাস কৰিবলৈ বাধ্য হৈছিল।ৰামসিংহই কৈছিল-আহোম সৈন্যসকল কামিলা মানুহ।তেওঁলোকে তন্ত্ৰ-মন্ত্ৰ যাদু সকলোতে পাৰ্গত।

লাচিতে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে পৰ্বত সংযোগ কৰি গড় নিৰ্মাণ কৰি মোগল সৈন্যলৈ বাট চাইছিল। একে ৰাতিৰ ভিতৰতে নিৰ্মাণ কৰি উলিয়াবৰ বাবে লাচিতে মোমায়েকক এই কামৰ ভাৰ দিছিল।কিন্তু শেষ ৰাতিলৈকে গড়মাৰা কাম সম্পুৰ্ণ নোহোৱাৰ বাবে 'দেশতকৈ মোমাই ডাঙৰ নহয়'বুলি কৈ লাচিতে একেঘাপে মোমায়েকক কাটি দুচেও কৰিছিল।লাচিতৰ খং দেখি মানুহবোৰে মৰোঁ-জীউকৈ কাম কৰি ৰাতি নৌপুৱাতেই গড়ৰ বাকী অংশ বান্ধি শেষ কৰিলে।এই গড় 'মোমাই

কটা গড়'নামে বিখ্যাত।আজিও গুৱাহাটীৰ পশ্চিম প্ৰান্তত এই গড় জিলিকি আছে।এই গড়ে লাচিতৰ সৈন্য পৰিচালনাৰ সামৰ্থ্য,সময় আৰু কৰ্মনিষ্ঠাক সোঁৱৰাই আহিছে।লাচিত বৰফুকনে ১৬৬৭ খ্ৰীৰ পৰা ১৬৭১ খ্ৰীষ্টাব্দৰ ভিতৰত বহুতো গড় বন্ধোৱাই নিজৰ দেশক শত্ৰুৰ পৰা ৰক্ষা কৰাৰ চেষ্টা অব্যাহত ৰাখিছিল। গেৰিলা যুদ্ধৰ পদ্ধতিৰ সূচনা কৰি লাচিতে ৰণনীতিৰ ব্যাপক ইন্ধন যোগাইছিল।লাচিত বৰফুকনে শত্ৰুক ভেটিবৰ বাবে বন্ধোৱা গড় দেখি মোগলৰ সেনাপতি ৰামসিংহই অসমীয়া সৈন্যক প্ৰশংসা কৰিছিল।শত্ৰুৰ প্ৰশংসাৰ কথা সকলো অসমীয়া সৈন্যৰ আগতে তেওঁলোকৰ মনৰ দৃঢ়তা বঢ়াবলৈ বীৰ লাচিতে জনাই দিছিল।যেতিয়া ৰণত হাৰি মোগলৰ সৈন্য ৰঙামাটিলৈ ভটিয়াই গৈছিল,তেতিয়া অসমীয়া সেনাৰ কিছুমানে ভাগি যোৱা আহিলা-পাতি ৰাখিবৰ মন কৰিছিল।তাকে দেখি লাচিতে কৈছিল-'অনেক দিন যুঁজি বলে নোৱাৰি ৰামসিংহ ভটিয়াই গল।এই যশস্যাই নাটিল,দুখ পোৱা মানুহৰ হাজাৰ চেৰেকে পেলাই থৈ যোৱা খাৰ-বাৰুদ এইবোৰেই মহাৰাজক সুখী কৰিমগৈ'।ইয়াৰ পৰা বুজিব পাৰি,লাচিতে সৈন্যসকলক কেনেদৰে সুনৈতিকতাৰে পৰিচালিত হবলৈ উপদেশ দিছিল।বীৰ লাচিতৰ নিকা মনোভাব,নিভাজ দেশপ্ৰেম আৰু অনমনীয় মানসিকতাৰ বাবে তেওঁৰ আদেশ অমান্য কৰিবলৈ সকলোৱে ভয় কৰিছিল।লাচিতৰ ব্যক্তিত্বৰ দ্বাৰা সকলোৱে অনুপ্ৰাণিত হৈছিল বাবেই অসমীয়া সেনাই শত্ৰুক ৰুধিবৰ বাবে মাৰ বান্ধি থিয় দিছিল।

শৰাইঘাটৰ যুদ্ধত মোগলক ভেটিবৰ বাবে অসমৰ সকলো জনগোষ্ঠীয় সৈন্য আৰু সেনাপতিসকল গোট খাইছিল।বড়ো,তিৱা,মিচিং,কাৰ্বি ,কোচ ,চুতীয়া আদি কোনো জনগোষ্ঠীয়েই পিছপৰি থকা নাছিল।তদুপৰি আহোম ৰাজতন্ত্ৰৰ প্ৰতিজন যোগ্য সেনাপতি,পালি সেনাপতি,কৌৱৰ তথা বিষয়াৰ ভিন ভিন দায়িত্ব কান্ধপাতি লৈছিল আতন বুঢ়াগোহাঞিয়ে।সময় যোৱাৰ লগে লগে লাচিতৰ অসুখ দিনক দিনে বাঢ়ি যাবলৈ ধৰিলে।

মোগল শত্ৰুৱে বীৰ লাচিতৰ স্বাস্থ্য বেয়া হোৱাৰ সুযোগলৈ বাট চাই আছিল।লাচিত নৰিয়াত পৰাত শত্ৰু সেনাৰ মন উথলি উঠিল।এই সুযোগতে ৰামসিংহই নৌ যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল।টান নৰিয়াত পৰি থকা অৱস্থাত লাচিতে সৈন্য পৰিচালনা কৰিব নোৱাৰাত অসমীয়া সৈন্যৰ মনত ভয় সোমাবলৈ ধৰিলে।কোনো কোনো সৈন্যই যুদ্ধ এৰি যাবলৈ মন কৰাৰ কথা চোৰাংচোৱাৰ মুখে গম পাই লাচিতে নৰিয়াপাটীৰ পৰাই কৈছিল-'যি লোক ভাগিব খুজিছে,তাহাঁতক কবি যে মই মৰিবৰ নিমিত্তে সাজু হৈ আছো।মোৰ শটো পুতিবলৈ চলা পৰ্বতৰ কাষত মাটি ঠিক কৰি থৈছো।মই এতিয়া নমৰো।ৰাজা যদি ভাগে,মই তাহাঁতৰ পাছতহে যাম'।টান নৰিয়া গাৰে লাচিতে শোৱাপাটী এৰি যুদ্ধৰ নেতৃত্ব দিবলৈ ওলাই আহিল।মোগল আহি জুৰিয়া পালেহি।তাকে দেখি বীৰ লাচিতে ক'লে-'মোক পীৰাৰে বাটিঘৰলৈ নে,বঙ্গাল কিমান পালেহি চাওঁ।

লাচিতে তৎক্ষণাত যুদ্ধ নাৱত উঠি ছুখন যুঁজাৰ নৌকা লগত লৈ টান নৰিয়া গাৰেই সাহসেৰে যুদ্ধ দিবলৈ ওলাই আহিল। আহোম সৈন্যসকল পলোৱা দেখি তেওঁ নাৱৰ পৰাই ক'লে- 'স্বৰ্গদেৱে মোক প্ৰধান সেনাপতি পাতি অসংখ্য আহিলা-পাতি দি ইয়াত মোক শত্ৰুৰ লগত যুঁজ কৰিবলৈহে থৈছে।এতিয়া মই যুদ্ধ এৰি পুত্ৰ-পৰিয়ালৰ আলিঙ্গনৰ কাৰণে উভতি যামনে-নাৱৰীয়াই মোৰ বিনা আদেশত কি সাহে নাও উজাই নিছে'।এই বুলি কৈ তেওঁ চাৰিটা নাৱৰীয়াক গতিয়াই পানীত পেলাই দিয়ে আৰু সৈন্যলৈ চাই ক'লে- 'বঙালে মোক ধৰি নিয়ক আৰু বাকীসকলে ৰাজা শত্ৰুৰ হাতত এৰি উভতি যাওঁক।এনে ধৰণৰ দেশপ্ৰেম পৃথিৱীৰ বুৰঞ্জীত পাবলৈ নাই।অসমীয়া সৈন্যসকলে দুগুণ সাহসেৰে দেশৰ বাবে যুদ্ধ কৰি শত্ৰুৰ নাৱৰ ফালে খেদি গল।শত্ৰুৰ ফালে বৰফুকনৰ নাও আগবাঢ়িলৈ ধৰিলে।'জয় বীৰ লাচিতৰ জয় জয় স্বৰ্গদেৱৰ জয়'বুলি আকাশ-বতাহ কঁপাই সৈন্যসকল আগবাঢ়ি গল।আহোম সৈন্যসকলে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ নাৱৰ পৰা হিলৈ আৰু কাঁড় মাৰিবলৈ ধৰিলে।সেই সময়ত গুৱাহাটীত ইটাখুলিয়েই মোগলসকলৰ সবাতোকৈ শক্তিশালী শিবিৰ আছিল।ইয়াতেই তেওঁলোকৰ প্ৰধান সেনাপতিসকল আৰু মীৰজুমলাই লগত লৈ অনা ডাঙৰীয়াসকলৰ পুত্ৰ আৰু কিছুমান মোগলক লগ দিয়া অসমীয়া বিষয়াও আছিল।সুৰক্ষিত এই কোঠাটোৰ চাৰিওকাষে ডাঙৰ ডাঙৰ কামান পুতি ৰখা হৈছিল।যাৰ ফলত লাচিতৰ সৈন্যই ইটাখুলি দখল কৰাটো অতি কঠিন হৈ পৰিছিল।

সেয়ে লাচিত বৰফুকনে ৰাতি চোৰাংচোৰাৰ হতুৱাই মাজনিশা মোগল বৰটোপৰ নলত পানী ভৰাই সেইবোৰ অকামিলা কৰি পেলালে আৰু চাৰিওফালৰ পৰা ইটাখুলি কোঠ আক্ৰমণ কৰিলে। শৰাইঘাটৰ যুদ্ধত মোগলক পৰাস্ত কৰি অসম ৰক্ষা কৰি ইতিহাসৰ পাতত লাচিত বৰফুকন সজীৱ হৈ থাকিল।

লাচিত বৰফুকনৰ মৃত্যুঃ-- শৰাইঘাটৰ যুদ্ধৰ কিছুদিন পিছতে ১৬৭২ খ্ৰীষ্টাব্দত অসমীয়া বীৰপুৰুষ লাচিতৰ মৃত্যু হয়। তেওঁৰ মৃত্যু হল যদিও থাকি গল বীৰগাঁথা। লাচিতৰ বুদ্ধিমত্তা সদায়েই প্ৰশংসনীয় হৈ থাকিব। পৃথিৱীত চন্দ্ৰ সূৰ্য থকালৈকে লাচিত বৰফুকন অসমীয়া জাতিৰ আবেগ অনুভূতি আৰু হৃদয়ত অমৰ হৈ সদায়েই জীয়াই থাকিব।

সামৰণিঃ--অসমীয়া পৰাক্ৰমী বীৰ গৰাকী সমগ্ৰ জাতিৰ বাবে আদৰ্শ আৰু অনুপ্ৰেৰণাৰ উৎস। সেয়েহে বীৰ লাচিতক সোঁৱৰি অসমৰ অসমীয়াই প্ৰতিবছৰে "লাচিত দিৱস" উদযাপন কৰি তেওঁলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আহিছে।এই গৰাকী মহাবীৰ জালিকটা পুষ্পহাৰৰ দৰে অনন্ত কাললৈ অসমীয়া জাতিৰ হৃদয়ত জীৱিত হৈ ৰ'ব।

----------0000----------